**কৃষক ৰাইজলৈ গোহাৰি**

আমাৰ এই 'ঘৰে - পথাৰে' পত্ৰিকাখনিৰ গ্ৰাহকভুক্ত হবলৈ অথবা নৱীকৰণ কৰিবলৈ বছেৰেকীয়া বৰঙণি ১০.০০ (দহ) টকা মনি অৰ্ডাৰযোগে তলৰ ঠিকনাত পঠাই যেন।

সম্পাদক
'ঘৰে-পথাৰে'
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট


# ঘৰে-পথাৰে

## পষেকীয়া কৃষি পত্ৰিকা

## অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

এই সংখ্যাত আছে -


| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ শালিধানৰ উন্নত কৃষি পদ্ধতি.. | ২ |
| ☐ বৰ্তমান সময়ত পাচলিৰ... | ২ |
| ☐ আমাৰ একাষাৰ .. .. | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. .. | ৪ |
| ☐ জৈৱিক কৃষি পদ্ধতিত কেঁচু... | ৪ |



☐ ৪২ তম্ বছৰ ☐ ১০ ম সংখ্যা ☐ ১৬ মে' - ২০২১ ☐ ১ - ১৫ জেঠ, ১৯৪৩ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06


# কিষাণ সন্মান নিধিৰ কিস্তিৰ ২০ হেজাৰ কোটি মুকলি

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অষ্টম কিস্তিৰ ২০ হেজাৰ কোটি টকা যোৱা ১৪ মে' তাৰিখে মুকলি কৰি দিয়া হয়। ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আয়োজিত এক অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ধনৰাশি মুকলিৰ কথা ঘোষণা কৰে। এই ধন কমেও ৯.৫ কোটি কৃষক হিতাধিকাৰীৰ বিপৰীতে মোকলাই দিয়া হয়। অনুষ্ঠানত উপস্থিত থকা কেন্দ্ৰীয় কৃষিমন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে এই কথা সদৰী কৰে যে অষ্টম কিস্তিত পশ্চিমবংগৰ সাতলাখৰো অধিক কৃষকৰ নাম অন্তৰ্ভূক্ত হৈছে। পশ্চিমবংগৰ কৃষকৰ নাম এই আঁচনিখনত প্ৰথমবাৰৰ বাবে অন্তৰ্ভূক্ত হোৱা বুলিও টোমৰে জনায়। উল্লেখ্য যে অভিলাষী আঁচনিখনৰ অধীনত দেশৰ কমেও ১৪ কোটি কৃষকক



বছৰি তিনিটা কিস্তিত ছহেজাৰ টকাকৈ প্ৰদান কৰা হয়। কৃষকে বেংক একাউন্টযোগে পোনপটীয়াকৈ এই ধন লাভ কৰে। যোৱা ২০১৯ চনৰ ২৪ ফেব্ৰুৱাৰীত আৰম্ভ কৰা আঁচনিখনৰ জৰিয়তে ইতিমধ্যে ১.১৫ লাখ কোটি টকা কৃষকক প্ৰদান কৰা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, মেঘালয়, জম্মু কাশ্মীৰ আৰু আন্দামান নিকোবৰৰ কেইবাজনো কৃষকৰ সৈতে বাৰ্তালাপ কৰে।

# ৰাজ্যৰ কৃষি অৰ্থনীতি উন্নয়নৰ সম্পৰ্কত কৃষিমন্ত্ৰী অতুল বৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰে বিশেষ পৰ্যালোচনা

ৰাজ্যখনৰ কৃষিমন্ত্ৰী হিচাবে একেৰাহে দ্বিতীয়বাৰৰ বাবে দায়িত্ব গ্ৰহণ কৰা কৃষিমন্ত্ৰী অতুল বৰাই যোৱা ১৫ মে' তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ সৈতে এক বিশেষ







পৰ্যালোচনাত মিলিত হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ অতিথিশালাত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠকত কৃষিমন্ত্ৰী গৰাকীয়ে উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাৰ সৈতে ক'ভিডসৃষ্ট পৰিস্থিতিত কৃষি ক্ষেত্ৰৰ ভূমিকা আৰু ৰাজ্যৰ কৃষি অৰ্থনীতি সৰলীকৰণৰ বাবে কৰণীয় বিষয়ত বিশেষভাৱে আলোচনা কৰে। এই আলোচনাত ক'ভিডসৃষ্ট পৰিবেশৰ দৰে জটিল সময়ত তথা সামগ্ৰিকভাৱে ৰাজ্যৰ কৃষি ব্যৱস্থাৰ উত্তৰণৰ দিশত উপাচাৰ্য গৰাকীয়ে পৰামৰ্শ আগবঢ়ায়। এই দিশত উত্তৰণৰ বাবে প্ৰধানকৈ দুতৰপীয়া শস্যক্ৰমৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিব লাগিব বুলি উপাচাৰ্য গৰাকীয়ে মত ব্যক্ত কৰে। দ্বিতীয়তে ৰাজ্যখনত কণী আৰু মাংস উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰি ৰাজ্যৰ কৃষিক্ষেত্ৰখন সমৃদ্ধিশালী কৰাৰ বাবে প্ৰকল্প গ্ৰহণ কৰিলে এই দিশত সফলতা লাভ কৰিব পৰা যাব বুলি কয়। তাৰোপৰি ৰাজ্যৰ ভিতৰতে ধান, মাহ আৰু তৈলবীজ উৎপাদনৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা উৎপাদিত উচ্চ উৎপাদনক্ষম পৰীক্ষাকৃত বীজসমূহ যাতে অসম চৰকাৰে ক্ৰয় কৰে আৰু তাৰ পৰা যাতে বিশ্ববিদ্যালয়ে বছৰি ২০-২৫ কোটি টকাৰ আয় কৰিব পাৰে তাৰ বাবে ব্যৱস্থা ল'বলৈ অনুৰোধ জনায়। এইসমূহ প্ৰস্তাৱ কাৰ্যকৰী কৰাৰ দিশত বিশ্ববিদ্যালয়ে সকলো দিহা-পৰামৰ্শ তথা কাৰিকৰী সহায় সহযোগ আগবঢ়াব বুলিও উপাচাৰ্য গৰাকীয়ে প্ৰতিশ্ৰুতি দিয়ে। আলোচনাকালত উপাচাৰ্য গৰাকীয়ে অসম কৃষি বিশ্ববিদ্যালয়ত খালী হৈ থকা শিক্ষক আৰু অনাশিক্ষক পদসমূহ পূৰণৰ ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ অনুৰোধ জনোৱাত মন্ত্ৰীগৰাকীয়ে এই দিশত মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰি সোনকালেই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। পৰ্যালোচনা বৈঠকত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীও উপস্থিত থাকে।

# আনাৰস খেতিৰ দিহা

➢কিউ বা কুইন জাতৰ সমান আকাৰৰ পোখা পুলি বা চাকাৰ গোটাই ল'ব লাগে।

➢মাটিখিনি ভালদৰে চহ কৰাৰ পাচত দুটা শাৰীত বেলেগ বেলেগ ভেটি কৰি ৰোৱা হয়। ইয়াত পুলিৰ পৰা পুলিৰ দূৰত্ব ৩০ ছেঃমিঃ, দুটা শাৰীৰ মাজৰ ব্যৱধান ৬০ ছেঃমিঃ আৰু দুটা ভেটিৰ পুলিৰ মাজৰ ব্যৱধান ৯০ ছেঃমিঃ ৰখা হয়।

➢ ৰোৱাৰ আগে আগে পুলিবোৰ শোধনৰ বাবে চিৰেচান ৪ গ্ৰাম অথবা ডাইথেন এম ৪৫ দুই গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই তেনে মিশ্ৰণত পুলিৰ গুৰিবোৰ কিছুসময় তিয়াই ৰাখিব লাগে।

➢আনাৰসৰ শিপাবোৰ যিহেতু বেছি তললৈ নাযায়, গতিকে ৰোৱাৰ পিচত পুলিবোৰৰ গুৰিবোৰ টিপি দিব লাগে।

➢আনাৰসৰ পুলি ৰোৱাৰ উপযুক্ত সময় হৈছে এপ্ৰিলৰ পৰা অক্টোবৰ পৰ্যন্ত। অৱশ্যে শীতকালি ৰুলে পানী যোগান ধৰা আৱশ্যক।

➢ লাভজনক উৎপাদন পাবলৈ অনুমোদিত পৰিমাণৰ সাৰ প্ৰয়োগ কৰিব লাগে।

➢আনাৰসত সাধাৰণতে শেষৰবাৰ মাটি চহাওঁতে ১০-১৫ টন প্ৰতি হেক্টৰত পচন সাৰ দিব লাগে।

➢ প্ৰতিজোপাত ৰাসায়নিক সাৰৰ পৰিমাণ হ'ল -

ইউৰীয়া ঃ ২৫.০ গ্ৰাম
একক চুপাৰ ফচফেট ঃ ১২.০ গ্ৰাম
মিউৰেট অৱ পটাছ ঃ ২০.০ গ্ৰাম

➢ইউৰীয়া সাৰৰ আধা অংশ আৰু চুপাৰ ফচফেট আৰু মিউৰেট অৱ পটাছৰ পূৰা অংশ মিহলাই ৰোৱাৰ সময়ত দিব লাগে। আধা অংশ ইউৰীয়া পিচত পাতত স্প্ৰে কৰিব লাগে। ইয়াৰ বাবে ৪৫০ গ্ৰাম ইউৰীয়া ১০ লিটাৰ পানীত মিহলাই ২০০ জোপা গছত ছটিয়াব পাৰি। এনেদৰে ছয়টা স্প্ৰে কৰিব লাগে। এনেদৰে স্প্ৰে কৰিলে প্ৰতিবাৰত ১ গ্ৰাম ইউৰীয়া প্ৰতি জোপা গছে পায়।

➢আনাৰসৰ খেতিডৰাত বছৰত অন্ততঃ ৩-৪ বাৰ বন-বাত গুচোৱাতো আৱশ্যক।

➢০.৫০ মাইক্ৰণ ডাঠ ক'লা পলিথিনৰ ব্যৱহাৰে আনাৰসৰ খেতিত অপতৃণ নিয়ন্ত্ৰণ কৰাৰ লগতে মাটিৰ জীপ অটুট ৰাখে।

➢বতৰ খৰাং পৰিলে পষেকত এবাৰ পানী যোগানৰ আৱশ্যক।

➢অতিপাত ৰ'দ পৰিলে ফলৰ এটা ফাল পুৰি যোৱাৰ দৰে ক'লা পৰি যায়। আনাৰসৰ শাৰীৰ মাজত ৰহৰ মাহৰ গছ লগাই ছাঁৰ ব্যৱস্থা কৰিব পাৰি। তাৰোপৰি, পৈণত ফলবোৰ ধান খেৰৰ দ্বাৰা ঢাকি দি বা আনাৰসৰ গছৰ পাতেৰে মেৰিয়াই থলেও ৰ'দে পোৰাৰ পৰা ৰক্ষা পাব পাৰি।

➢ আনাৰস সাধাৰণতে এবাৰ মাৰ্চ-এপ্ৰিলত আৰু আনবাৰ জুন-জুলাইত ফুলে। এবাৰত সাধাৰণতে শতকৰা ৫০-৬০ জোপা আনাৰসৰ গছতহে ফুল ধৰে। ফুল ধৰাৰ এমাহৰ আগত ইথ্ৰেল (১ মিঃলিঃ ১০ লিটাৰ পানীত) প্ৰয়োগ কৰি শতকৰা ৮০ ভাগতকৈও অধিক গছত একেবাৰতে ফুল ধৰাব পাৰি।

➢ দহ লিটাৰ পানীত ৩ মিঃলিঃ প্লেনোফিক্স নামৰ হৰম'নবিধ মিহলাই ফল ছিঙাৰ নিয়মিত সময়ৰ পৰা ৬০-৭০ দিন পূৰ্বে অপৈণত ফলবোৰত স্প্ৰে কৰিলে ফলপৈণত হওঁতে পলম হয় আৰু ফল ছিঙা প্ৰায় ১৫-২০ দিন পিছুৱাই যায়। আকৌ ৫ মিঃলিঃ ইথৰেল হৰম'ন ১০ লিটাৰ পানীত মিহলাই ছিঙাৰ এমাহ আগেয়ে ফলবোৰত স্প্ৰে কৰিলে ফল পকোতে প্ৰায় ১২-১৫ দিন সোনকাল হয়।

➢পৈণত হ'লে ৰং হালধীয়া হয় আৰু তেতিয়াই আনাৰস চপোৱাৰ উপযুক্ত সময়। চোকা কটাৰী বা কাঁচিৰে ঠাৰিডালৰ ৫-৭ ছেঃমিঃ তলত কাটি ফল চপাব লাগে। দূৰৰ বজাৰৰ বাবে পৈণত ফলৰ সেউজীয়া ৰংটো হালধীয়া হ'ব ধৰিলেই চপাব লাগে। কিয়নো সম্পূৰ্ণৰূপে হালধীয়া হ'বলৈ থলে দূৰৰ বজাৰ গৈ পোৱাৰ আগতেই ফলবোৰ বেছি ধৰণে পকি নষ্ট হৈ যাব পাৰে।

**শ্ৰীভাস্কৰজ্যোতি শৰ্মা**

# শালিধানৰ উন্নত কৃষি পদ্ধতি

ধানখেতি আমাৰ প্ৰধান খেতি। অসমত চাৰি প্ৰকাৰৰ ধানখেতি যেনে- শালি, বাওঁ, আহু আৰু বৰোধান কৰা হয় যদিও শালিধানেই হৈছে প্ৰধান খেতি আৰু ই মুঠ ধানখেতি কৰা মাটিৰ প্ৰায় ৭০-৭৫ শতাংশ দখল কৰি আছে। এক বিস্তৃত এলেকাত শালিখেতি কৰা হয় যদিও ৰাজ্যখনৰ ধানৰ গড় উৎপাদন সৰ্বভাৰতীয় গড় উৎপাদনতকৈ কম। ইয়াৰ মূল কাৰণ হৈছে জলবায়ু আৰু পৰিবেশ পৰিস্থিতিৰ বিভিন্নতা, বৰষুণ নিৰ্ভৰশীলতা, উন্নত জাতৰ সীমিত ব্যৱহাৰ, সুষম সাৰ ব্যৱহাৰ নকৰা, বন-বাত ও কীট-পতংগ, বেমাৰ-আজাৰৰ উপদ্ৰৱ, অনুন্নত কৃষি পদ্ধতি অৱলম্বন আদি। তাৰোপৰি কেতিয়াবা শালিখেতিৰ সময়ত দেখা দিয়া অনাবৃষ্টি, খৰাং আৰু কেতিয়াবা অতিবৃষ্টি, বানপানী আদিয়ে কৃষকসকলক বাৰুকৈয়ে জুৰুলা কৰি থাকে। বৰ্ষাৰ আগমনৰ লগে লগে আৰম্ভ হয় শালিধানৰ বতৰ। বৰ্তমান শালিধানৰ মাটি প্ৰস্তুতি আৰু কঠীয়া পৰাৰ সময়। সেয়ে শালি ধানখেতিৰ উন্নত কৃষি পদ্ধতিৰ ওপৰত এটি আলোচনা আগবঢ়োৱা হ'ল।

**জাত নিৰ্বাচন ঃ** আমাৰ কৃষকসকলে সদায় উচ্চ উৎপাদনক্ষম শালিধানৰ জাত নিৰ্বাচন আৰু ব্যৱহাৰত গুৰুত্ব দিয়া উচিত। জাতেই হৈছে আটাইতকৈ কম খৰচী ও সুলভ প্ৰযুক্তি। শস্যৰ জাত আৰু বীজ হৈছে খেতিৰ প্ৰথম আৰু প্ৰধান আহিলা। আমাৰ অসম কৃষি বিশ্ববিদ্যালয়ে অসমৰ বাবে অনুমোদন কৰা শালিধানৰ উন্নত জাতসমূহ হৈছে -

অধিক উৎপাদনক্ষম শালিধানৰ দীৰ্ঘদিনীয়া জাতসমূহ হ'ল - ৰণজিৎ, বাহাদুৰ, কুশল, মণিৰাম, পংকজ, পিয়লি, স্বৰ্ণ চাব-১, বি আৰ ১১ চাব-১, ৰণজিৎ চাব-১, বাহাদুৰ চাব-১ আদি।

মধ্যমীয়া শালিধানৰ উন্নত জাতসমূহ হ'ল - সত্যৰঞ্জন, বসুন্ধৰা, শ্ৰাৱণী, মূলাগাভৰু, চক্ৰলাহী, ডিফলু, ধনশিৰি, নুমলী, মানাহ, গান্ধাৰী, মোহন, শ্ৰীমন্ত্ৰ, ভাৰতী আদি। এই জাতসমূহ শালিধানৰ পিছত ৰবিশস্য কৰা অঞ্চলৰ বাবে উপযোগী। কমদিনীয়া হোৱাৰ বাবে এই জাতসমূহৰ গড় উৎপাদন দীৰ্ঘদিনীয়া জাতৰ তুলনাত কম, কিন্তু ৰবিখেতি কৰিব পৰা হোৱাৰ কাৰণে ইয়াৰ পৰা হোৱা আয় বেছি।

শালিধানৰ কমদিনীয়া জাতসমূহ হৈছে - লুইত, কলং, কপিলী, দিচাং, দিখৌ আদি। বানাক্ৰান্ত অঞ্চলত শালিখেতি কৰাতো সুযোগৰ ওপৰত নিৰ্ভৰ কৰে। বছৰি বানত আক্ৰান্ত অঞ্চলৰ বাবে বানপানীৰ আগত নাইবা পিছত এইসমূহ জাতৰ খেতি কৰিব পাৰে। এই জাতৰ কুমলীয়া কঠীয়া ভাদৰ শেষলৈকে ৰুব পাৰি। অতি কমদিনীয়া কাৰণে ইহঁতে বাঢ়িবলৈ কম সময় পায় আৰু পোখাৰ সংখ্যাও যথেষ্ট কম হয়, ফলত উৎপাদনো তুলনামূলকভাৱে কম হয়। সেয়ে ৰোৱাৰ সময়ত ঘনকৈ (১০ ছেঃমি × ১০ ছেঃমিঃ ব্যৱধানত) কঠীয়া ৰুব লাগে।

দেৰীকৈ ৰুব পৰা শালিধানৰ দীৰ্ঘদিনীয়া জাত দুটা হৈছে প্ৰফুল্ল আৰু গীতেশ। প্ৰফুল্ল জাতৰ ৭৫ দিনীয়া আৰু গীতেশৰ ৬০ দিনীয়া বুঢ়া কঠীয়া ৰুব পৰা যায়।

বানপানীৰ ডুব সহিব পৰা জাতসমূহ হ'ল - জলশ্ৰী, জলকুঁৱৰী, প্লাৱন, স্বৰ্ণ চাব-১, বি আৰ ১১ চাব-১, ৰণজিৎ চাব-১ আৰু বাহাদুৰ চাব-১। এইসমূহ জাতে ১২ দিনলৈ পানীৰ ডুব সহিব পাৰে আৰু বানপানীত ডুব যোৱাৰ পাছতো পোখা মেলাৰ ক্ষমতা থাকে।

সময়মতে কৰিব পৰা বৰাধানৰ উন্নত জাতসমূহ হ'ল- আঘোণী, ভোগালী আৰু ৰঙিলী। আনহাতে জহাধানৰ উন্নত জাত দুটা হ'ল - কেতেকী জহা আৰু বকুল জহা।

**কঠীয়াতলি প্ৰস্তুতি ঃ** কঠীয়াতলিৰ বাবে নিৰ্দ্ধাৰিত মাটিডোখৰ ৪-৫ বাৰ হালবাই বোকা কৰি মৈয়াই সমান কৰি লোৱাৰ পাছত ১০ মিটাৰ দীঘল আৰু ১.২৫ মিটাৰ বহল কিছুমান ছিটা কৰি ল'ব লাগে। দুখন ছিটাৰ মাজত ৩০ ছেঃমিঃ ব্যৱধান ৰাখিব লাগে। এতিয়া প্ৰতিখন ছিতাত ২০-৩০ কিঃগ্ৰাঃ (দুপাচিমান) শুকান গোবৰ বা পচনসাৰ, ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰেট অৱ পটাছ একেলগে প্ৰয়োগ কৰি মাটিৰ লগত মিহলাই ল'ব লাগে।

**বীজৰ পৰিমাণ ঃ** এবিঘা মাটি ৰুবৰ বাবে ৫-৮ কিঃগ্ৰাঃ বীজৰ প্ৰয়োজন। প্ৰতিখন ছিটাত লাহিধানৰ ৬২০ গ্ৰাম, মজলীয়া আকাৰ ধানৰ ৮০০ গ্ৰাম আৰু মোটা ধানৰ এক কিঃগ্ৰাঃ হিচাপত ভালদৰে গজালি ওলোৱা বীজ সিঁচিব লাগে।

**বীজ শোধন ঃ** ধানৰ বহুকেইটা ৰোগ যেনে- পাতজ্বলা, বৌখা জ্বলা, বেক্টেৰীয়া জনিত পাত দেই যোৱা আদি বীজৰ দ্বাৰা সংক্ৰমিত হয়। সেয়ে বীজ সিঁচাৰ আগতে বীজখিনি ভেঁকুৰনাশক ঔষধ যেনে ইন্দোফিল এম ৪৫, কেপটাফ, ফলটাফ, থিৰাম ২.৫ গ্ৰাম আৰু বেভিষ্টিন ২ গ্ৰাম প্ৰতি লিটাৰ পানী হিচাপত মিহলাই কৰা মিশ্ৰণত ২৪ ঘণ্টা তিয়াই শোধন কৰি ল'ব লাগে। এক কিঃগ্ৰা বীজৰ বাবে এক লিটাৰ ঔষধৰ মিশ্ৰণৰ প্ৰয়োজন হয়। তাৰ পিছত বীজখিনি টুকি ৪৮ ঘণ্টা (দুদিন দুৰাতি) গাপ দিব লাগে।

**মূল পথাৰ প্ৰস্তুতি ঃ** কঠীয়া ৰোৱাৰ প্ৰায় এক মাহ আগতে পথাৰখন প্ৰথম চাহ হালবাই থ'ব লাগে যাতে বন-বাতবোৰ গেলি-পচি সাৰ হোৱাৰ উপৰিও পোক-পৰুৱা আদি ধ্বংস হয়।ইয়াৰ পিছত মাটিডৰা ৩-৪ বাৰ হালবাই মৈয়াই সমান কৰি ল'ব লাগে যাতে পথাৰত পানী ৰয়। আলিবোৰ মেৰামতি কৰি পথাৰডৰাৰ চাৰিওকাষ পৰিষ্কাৰ কৰি ৰাখিব লাগে।

**মূল পথাৰত সাৰ প্ৰয়োগ ঃ** মাটি প্ৰস্তুতিৰ আৰম্ভণিতে বিঘাই প্ৰতি গোবৰ বা পচন সাৰ ১০ কুইণ্টল প্ৰয়োগ কৰাতো বাঞ্চনীয় যাতে মাটিৰ স্বাস্থ্য অটুট থাকে। অধিক উৎপাদনক্ষম অৰ্দ্ধচাপৰ শালি ধানৰ ক্ষেত্ৰত বিঘাই প্ৰতি ১৮ কিঃগ্ৰাঃ ইউৰীয়া, ১৭ কিঃগ্ৰাঃ একক চুপাৰ ফচফেট আৰু ৯ কিঃগ্ৰাঃ মিউৰেট অৱ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। আনহাতে ওখ থলুৱা জাতৰ ক্ষেত্ৰত বিঘাই প্ৰতি ৬ কিঃগ্ৰাঃ ইউৰীয়া, ৮ কিঃগ্ৰাঃ চুপাৰ ফচফেট আৰু ২ কিঃগ্ৰাঃ পটাছ সাৰ প্ৰয়োগ কৰিব লাগে। শেষৰবাৰ মাটি বোকা কৰাৰ সময়ত সমুদায় পৰিমাণৰ চুপাৰ ফচফেট আৰু পটাছৰ লগত আধাভাগ ইউৰীয়া সাৰ প্ৰয়োগ কৰিব। বাকী থকা ইউৰীয়াখিনি আকৌ দুভাগ কৰি তাৰে এভাগ পোখা মেলাৰ সময়ত (২০-৩০

(৪ পৃষ্ঠাৰ ৫ কলমত চাওক)

# বৰ্তমান সময়ত পাচলিৰ মূল্যসংযোজনৰ প্ৰয়োজনীয়তা

বৰ্তমান সময়ত কৰ'না ভাইৰাছে সমগ্ৰ বিশ্বকে ভয়াবহভাৱে চানি ধৰিছে। অধিক ক্ষীপ্ৰতাৰে এজনৰ পৰা আনজনলৈ সোঁচৰা এই ব্যাধিয়ে জন-জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই মহামাৰীৰ প্ৰসাৰত বাধা দিবৰ কাৰণে দেশসমূহে মাহজোৰা তলাবন্ধ আদিৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিছে। ভাৰত চৰকাৰেও ইতিমধ্যে তিনিটা পৰ্যায়ত তলাবন্ধ ঘোষণা কৰিছে। যাৰফলত আমাৰ সামাজিক অৰ্থনৈতিক দিশবোৰৰ ওপৰত যথেষ্ট প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ কৃষকবন্ধু সকল যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। তলাবন্ধৰ সময়ত ঘৰতে আবদ্ধ হৈ পৰাৰ বাবে কৃষকসকলৰ পথাৰত থকা প্ৰায়সমূহ শস্য নষ্ট হয়। জিলা প্ৰশাসনৰ অনুমতি সাপেক্ষে কিছুমান কৃষকে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ অলপ পৰিমাণে বিক্ৰী কৰিবলৈ সক্ষম হৈছে। তথাপিও সকলো অঞ্চলতে যাতায়তৰ সুবিধা সুচল নোহোৱাৰ বাবে প্ৰায়সমূহ কৃষকেই তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ লৈ বৰ বিপদত পৰিছে। এই সময়ত যথেষ্ট পৰিমাণে উৎপাদন হোৱা পাচলি যেনে - বিলাহী, বেঙেনা, তিয়ঁহ, জলকীয়া আদি শস্যসমূহ হয় পথাৰতে নষ্ট হৈছে নতুবা তেওঁলোকে পশুধনৰ খাদ্য হিচাপে ব্যৱহাৰ কৰিছে। গতিকে এই সময়ত মূল্য সংযোজন তথা খাদ্য সংৰক্ষণ বৰ প্ৰয়োজনীয় হৈ পৰিছে। খাদ্য সংৰক্ষণৰ বিভিন্ন পদ্ধতি অৱলম্বন কৰি কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহৰ সম্ভাব্য লোকচান হ্ৰাস কৰিবলৈ সক্ষম হ'ব পাৰে। এই ক্ষেত্ৰত তেওঁলোকে পাচলিসমূহ যেনে- বন্ধাকবি, কেৰেলা, কুন্দুলী আদি ৰ'দত শুকুৱাই; তিয়ঁহ, অমিতা, কেঁচা আম আদি নিমখ পানীত ডুবাই; জলকীয়া, বেঙেনা, অমিতা, কুন্দুলী আদিৰ পৰা আচাৰ তৈয়াৰ কৰিব পাৰি আৰু লগতে বিলাহী, জলকীয়া আদিবোৰ চচ্ তৈয়াৰ কৰিও সংৰক্ষণ কৰিব পাৰি।

তলত জলকীয়া আৰু বেঙেনাৰ মূল্য সংযোজন কৰি তলাবন্ধৰ সময়ৰ লোকচানৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে দিহা দিয়া হ'ল।

**জলকীয়াৰ আচাৰ ঃ**

| | |
|---|---|
| জলকীয়া | - ১ কিঃগ্ৰাঃ |
| পিয়াঁজ | - ২০০ গ্ৰাঃ |
| আদা | - ২০০ গ্ৰাঃ |
| নহৰু | - ১৫০ গ্ৰাঃ |
| হালধি | - ২০ গ্ৰাঃ |
| মিঠাতেল | - ৫০০ মিঃলিঃ |
| ভিনেগাৰ | - ১৫০ মিঃলিঃ |
| বগা সৰিয়হ | - ২০০ গ্ৰাঃ |
| নিমখ | - সোৱাদ অনুসৰি |

**প্ৰস্তুত প্ৰণালী ঃ**

♦জলকীয়াখিনি ভালদৰে ধুই ৰ'দত দিয়ক নহ'লে পানী নথকাকৈ এখন চাফা কাপোৰেৰে মচি লওঁক।

♦সৰিয়হখিনি ভিনেগাৰত তিয়াই থৈ ভালদৰে বাটি লওঁক।

♦জলকীয়া, পিয়াঁজ, নহৰু আৰু আদা সৰু সৰুকৈ কাটি লওঁক।

♦এখন কেৰাহীত তেল গৰম কৰি তাত প্ৰথমতে পিয়াঁজ, নহৰু, আদা দি ভালদৰে ৰঙচুৱাকৈ ভাজি লওঁক। তাৰ পিছত জলকীয়াখিনি দি পাঁচ মিনিট ভাজক।

♦এতিয়া নিমখ, হালধি আৰু বাটি লোৱা সৰিয়হখিনি দি পুনৰ পাঁচ মিনিট ভাজি লৈ জুইৰ পৰা নমাই থওঁক।

♦আচাৰখিনি ঠাণ্ডা হ'লে আগতীয়াকৈ ধুই চাফা কৰি ৰখা শুকান বটলত ভৰাই ৰাখি মাজে মাজে ৰ'দত দিয়ক।

**বেঙেনাৰ আচাৰ ঃ**

| | |
|---|---|
| ছাগলী শিঙিয়া বেঙেনা | - ১ কিঃগ্ৰাঃ |
| পিয়াঁজ | - ৫০ গ্ৰাঃ |
| নহৰু | - ৫০ গ্ৰাঃ |
| আদা | - ৫০ গ্ৰাঃ |
| বগা সৰিয়হ | - ৫০ গ্ৰাঃ |
| চেনী | - ১৫০ গ্ৰাঃ |
| ভিনেগাৰ | - ১৫০ মিঃগ্ৰাঃ |
| কেঁচা জলকীয়া | - ২৫ গ্ৰাঃ |
| গৰম মছলা (লং, ইলাচী, ডালচেনী) | - ২.৫ গ্ৰাঃ |
| মেথিগুটি | - আধা চামোচ |
| হালধি | - ১৫ গ্ৰাঃ |
| জলকীয়া গুড়ি | - ১০ গ্ৰাঃ |
| মিঠাতেল | - ৩০০ মিঃলিঃ |
| নিমখ | - সোৱাদ অনুসৰি |
| নৰসিংহ পাত | - গোন্ধৰ বাবে |

**প্ৰস্তুত প্ৰণালী ঃ**

♦বেঙেনাখিনি ভালদৰে ধুই ৰ'দত শুকুৱাই বা এখন চাফা কাপোৰেৰে পানিখিনি মচি দীঘলকৈ সমান আকাৰত কাটি লওঁক।

♦পিয়াঁজ, নহৰু আৰু আদা বাকলি গুচাই সৰু সৰুকৈ কাটি লওঁক।

♦মেথিগুটি আৰু লং, ইলাচী, ডালচেনী কেৰাহিত শুকানকৈ ভাজি গুড়ি কৰি লওঁক।

♦ সৰিয়হখিনি আধা পৰিমাণৰ ভিনেগাৰ (৫০ মিঃলিঃ) দি বাটি লওঁক।

♦কেৰাহিত অলপ তেল গৰম কৰি বেঙেনাখিনি আধা ভাজি লওঁক। বাকী থকা তেলখিনি কেৰাহিত দি কাটি লোৱা পিঁয়াজ, নহৰু, আদা, জলকীয়া দি ৰঙচুৱাকৈ ভাজি তাত বেঙেনাখিনি দি অলপ সময় ভাজি লওঁক।

♦এতিয়া চেনী, নিমখ, হালধি, সৰিয়হ বটা দি মিশ্ৰণটো পুনৰ পাঁচ মিনিট ভাজি লওঁক।

♦শেষত ভিনেগাৰ দি ২ মিনিট ভাজি, গৰম মছলা গুড়ি দিয়ক আৰু জুইৰ পৰা নমোৱাৰ আগতে নৰসিংহ পাত দিয়ক। ঠাণ্ডা হ'লে আগতে গৰম পানীত ভালদৰে ধুই শুকাই থোৱা বটলত ভৰাই থওঁক।

তলাবন্ধ শিথিল হ'লেও কৃষকসকলে খুউব সোনকালে তেওঁলোকৰ পূৰ্বৰ বজাৰ দখল কৰিবলৈ সক্ষম হ'ব নোৱাৰিবও পাৰে, কিন্তু তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ মূল্য সংযোজন তথা সংৰক্ষণৰ দ্বাৰা সম্ভাব্য লোকচানৰ পৰা হাত সাৰিব পাৰিব। এইক্ষেত্ৰত তেখেতসকলে দিহা-পৰামৰ্শৰ বাবে গৃহ জিলাসমূহত থকা কৃষি বিজ্ঞান কেন্দ্ৰসমূহৰ কাষ চাপিব পাৰে।

**শ্ৰীমতী মৃদুস্মিতা বৰঠাকুৰ**

আমাৰ একাষাৰ

# কৃষি সম্প্ৰসাৰণ ব্যৱস্থাত কৃষকৰ ভূমিকা

আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিবলৈ হ'লে পোন প্ৰথমতে আমি আমাৰ গ্ৰামীণ অৰ্থনীতিৰ ভেটি সৱল কৰিব লাগিব। কাৰণ গ্ৰামীণ সমাজখনেহে ভাৰতবৰ্ষৰ প্ৰকৃত ৰূপটো প্ৰতিফলিত কৰে। কিন্তু নিম্ন জনমূৰী আয়, মূলধনৰ অভাৱ, জনসংখ্যাৰ হেঁচা, প্ৰাকৃতিক দুৰ্য্যোগ, দুৰ্বল যোগাযোগ আৰু পৰিবহন ব্যৱস্থা, তাকৰীয়া ঋণৰ যোগান, পুৰণিকলীয়া ৰীতি-নীতি আৰু প্ৰযুক্তিৰ হস্তান্তৰ আদিয়েই গ্ৰাম্য অৰ্থনীতিৰ ঘাই সমস্যা। এই অৱস্থাৰ উন্নতি নহ'লে গ্ৰাম্য অৰ্থনীতিৰ ভেটিও সৱল হ'ব নোৱাৰে।

উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমৰ গ্ৰাম্য জীৱনৰ অৱস্থা অত্যন্ত দুখজনক। অসমৰ বাহিৰৰ বৃহৎ উদ্যোগৰ প্ৰভাৱত সাতামপুৰুষীয়া কুটিৰ শিল্পৰ অৱস্থাও পুতৌজনক হৈ পৰিছে। কৃষিয়েই হ'ল এই অঞ্চলৰ ঘাই জীৱিকা। তথাপি, দুই-এটা গোট বাদ দিলে সামগ্ৰীকভাৱে এই অঞ্চলৰ কৃষিকাৰ্য্যত বিজ্ঞানৰ ব্যৱহাৰ যৎসামান্য। ভাৰতবৰ্ষৰ অন্য কিছুমান অঞ্চলৰ দৰে ভূ-স্বামীৰ ব্যাপক প্ৰভাৱ নাথাকিলেও মহাজনী শোষণ প্ৰক্ৰিয়া এটি নথকা বুলি ক'লে সত্যৰ অপলাপ কৰা হ'ব। জনমূৰী কৃষিভূমিৰ পৰিমাণো তাকৰ হৈ আহিছে। ভূমি সংস্কাৰ আৰু ভূমিনীতিৰ সাৰ্থক প্ৰয়োগ নোহোৱাত ভূমিহীন কৃষক বা সামান্য ভূমিতেই কৃষিকৰ্ম কৰি থাকিব লগা কৃষকৰ সংখ্যা লেখতল'বলগীয়া। পৰম্পৰাগত মূল্যবোধৰ সলনি নোহোৱাত কৃষি বনানীকৰণে বিশেষ মাত্ৰা লাভ কৰিব পৰা নাই। ফলত কৃষিখণ্ডই গ্ৰামাঞ্চলৰ মূলধন গঠনত সহায়ক হোৱা নাই। বৰ্ত্তমানে অধিক গুৰুত্ব লাভ কৰা সমন্বিত পাম পদ্ধতিয়েও প্ৰসাৰ লাভ কৰা নাই। গ্ৰাম্য এলেকাত চহৰাঞ্চলৰ সা-সুবিধাও প্ৰসাৰ লাভ নকৰাত বহুতো যুৱকে জীৱিকাৰ সন্ধানত চহৰলৈ প্ৰব্ৰজন কৰিছে। কৃষিখণ্ডৰ যোগেদি জীৱিকা নিৰ্বাহ কৰিব পৰা সুচল পৰিবেশ এটি সৃষ্টি নহ'লে আমাৰ দেশ গুৰুত্বৰ অৱস্থাৰ মুখামুখী হ'ব লাগিব। সেইবাবে কৃষিখণ্ডৰ উন্নতিৰ বাবে কৃষি সম্প্ৰসাৰণ ব্যৱস্থাত কৃষকৰ ভূমিকাৰ গুৰুত্ব বৃদ্ধি হৈছে।

সম্প্ৰসাৰণৰ বিভিন্ন পদ্ধতি সম্পৰ্কে চলোৱা পৰীক্ষা-নীৰিক্ষাৰ অন্তত এই কথা জানিবলৈ পোৱা গৈছে যে কৃষক আৰু গ্ৰামীণ সমাজখনেই হ'ল তেওঁলোকৰ মাজত আনিব পৰা পৰিবৰ্ত্তনৰ মুখ্য প্ৰতিনিধি। সেয়েহে নব্য ধাৰণা অনুসৰি সম্প্ৰসাৰণ ব্যৱস্থাত কৃষকৰ গুৰুত্ব অপৰিসীম হৈ উঠিছে। ক'বলৈ গ'লে এয়াই হ'ল উন্নয়নৰ "তলৰ পৰা ওপৰলৈ"ৰ আৰ্হি বা পদ্ধতি।

আমাৰ দেশত কৃষকৰ দ্বাৰা পৰিচালিত সম্প্ৰসাৰণ ব্যৱস্থাৰ অতীৱ প্ৰয়োজন। এই ব্যৱস্থাৰ বাবে প্ৰথমেই প্ৰয়োজন হ'ব ব্যাপক জৰীপৰ। বিভিন্ন অঞ্চলৰ কৃষকৰ মাজলৈ গৈ তেওঁলোকৰ সম্পদ, প্ৰয়োজন, সমস্যা আদিৰ বিষয়ে অধ্যয়ন চলাব লাগিব। কোনো অঞ্চলৰ ভূমি, জল, মানৱসম্পদ, প্ৰচলিত কৃষি পদ্ধতি আদিৰ সম্পূৰ্ণ প্ৰতিচ্ছবি এখন সম্প্ৰসাৰণ কৰ্মীসকলৰ হাতত পৰাৰ পাছত অঞ্চলিভিত্তিক আঁচনি তৈয়াৰ হ'ব। এই আঁচনি তৈয়াৰ কৰাৰ সময়ত কৃষকৰ মতামতক অগ্ৰাধিকাৰ দিয়া হ'ব। সম্প্ৰসাৰণ কৰ্মীসকলে এইক্ষেত্ৰত কেৱল অণুঘটকৰ কাম কৰিব আৰু প্ৰয়োজন সাপেক্ষে উৎসাহ প্ৰদান কৰিব। বিভিন্ন ঋতুত কৰিবলগীয়া বিভিন্ন খেতি তথা ইয়াৰ সৈতে জড়িত অন্যান্য উৎপাদন ক্ষেত্ৰ যথা মীন বা পশুপালন আদিৰ বিষয়ে কৃষকসকলৰ মতামতৰ ভিত্তিত প্ৰস্তুত কৰা আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত সম্প্ৰসাৰণ কৰ্মীসকলে তেওঁলোকক সহায় কৰিব। প্ৰত্যেক আঁচনিৰ সুনিৰ্দ্দিষ্ট অৰ্থনৈতিক লক্ষ্য থাকিব আৰু সেই লক্ষ্য পূৰণৰ সময়ো নিৰ্দ্ধাৰণ কৰা হ'ব। শস্যৰ বিভিন্ন উৎপাদন কৌশল, বেমাৰ-আজাৰ আদিৰ সন্দৰ্ভত বিশেষজ্ঞৰ হতুৱাই কৃষকৰ পথাৰ পৰিদৰ্শন, উপযুক্ত দিহা-পৰামৰ্শ প্ৰদান আদিও আঁচনিৰ অন্তৰ্ভূক্ত হ'ব। সম্পূৰ্ণ পৰিবেশবাহিত কৃষিপ্ৰণালী হাতত লোৱাৰ বাবেও আঁচনি তৈয়াৰ কৰা হ'ব। আঁচনিৰ মূল্যাংকণ কৰাৰ দায়িত্বও কৃষকসকলে ল'ব লাগিব। এই দিশত সম্প্ৰসাৰণ কৰ্মীসকলে সহায়তা প্ৰদান কৰিব।

মুঠতে আঁচনি প্ৰস্তুত, এই আঁচনিৰ সফল ৰূপায়ণ তথা মূল্যাংকণত কৃষকসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। কৃষকক বজাৰ ব্যৱস্থাৰ সৈতেও জড়িত কৰা এটা অত্যন্ত গুৰুত্বপূৰ্ণ কাম। ঘাইকৈ গ্ৰামীণ সমাজখনৰ উপযুক্ত পৰ্য্যালোচনা কৰি সম্প্ৰসাৰণ ব্যৱস্থাই সেই সমাজখনৰ উন্নতিৰ বাবে কৰ্ম আঁচনি যুগুত কৰি উলিয়াব লাগিব। বৰ্ত্তমান সময়ত গ্ৰাম্যযুৱকসকলক উপযুক্ত পথ নিৰ্দ্দেশনা দি কৃষিখণ্ডক লাভজনক বৃত্তি হিচাপে গঢ়ি তুলিব নোৱাৰিলে সামাজিক বিশৃংখলতাৰ সৃষ্টি হ'ব। কৃষকৰ দ্বাৰা পৰিচালিত সম্প্ৰসাৰণ ব্যৱস্থাৰ যোগেদি গ্ৰামীণ অৰ্থনীতি টনকিয়াল কৰিব পৰা যাব বুলি আমি আশা কৰিব পাৰো।

**ড° প্ৰশান্ত মিশ্ৰ**

# মাহটোৰ কৃষিকৰ্ম্ম

**১৬ জেঠৰ পৰা ১৫ আহাৰ, ১৯৪৩ শক**

## পথাৰ শস্য

### শালিধান

**অধিক উৎপাদনক্ষম জাত ঃ**

**দীৰ্ঘদিনীয়া ঃ** ৰঞ্জিত, বাহাদুৰ, মনিৰাম, কুশল, পিয়লী

**মধ্যমদিনীয়া ঃ** সত্যৰঞ্জন, বসুন্ধৰা

**বৰোধান (দীৰ্ঘদিনীয়া) ঃ** ৰঙিলী, ভোগালী, আঘোণী

**অতি কম দিনীয়া ঃ** লুইত, কপিলী

**বীজ সিঁচা ঃ** শালিধানৰ কঠীয়া এই মাহতে বীজ তলীত সিঁচিব লাগে। কঠীয়াতলী প্ৰস্তুত কৰোতেই ১০ x ১.২৫ বঃ মিঃ কালিৰ একোখন বীজতলীত দুপাচিমান গোবৰ নাইবা পচন সাৰ, ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰিয়েট অৱ পটাছ একেলগে প্ৰয়োগ কৰি মাটিৰ লগত মিহলাই ল'ব।

**বীজ শোধন ঃ** এবিঘা মাটি ৰুবৰ বাবে ৫ কিঃ গ্ৰাঃ বীজৰ প্ৰয়োজন। সংগৃহীত বীজখিনি এটা পাত্ৰত পানীত ডুবাই ওপঙি অহা পতানবিলাক পেলাই দি পাত্ৰৰ তলীত পৰি থকা সৱল পূৰঠ বীজখিনি পুনৰ ৫ লিটাৰ পানীত তলত দিয়া যিকোনো এবিধ ঔষধৰ মিশ্ৰণত ২৪ ঘণ্টা সময় তিয়াই ৰাখিব। এই পৰিমাণৰ ঔষধ মিশ্ৰিত পানীত ৫ কিঃ গ্ৰাঃ বীজ শোধন কৰিব পাৰিব।

| ঔষধৰ নাম | পৰিমাণ (প্ৰতি লিটাৰ পানীত) |
|---|---|
| মেনক'জেব | ১/২ চামুচ |
| কেপটান | " |
| কাৰবেনদেজিম | " |

ইয়াৰ পিচত বীজখিনি টুকি আনি ছাঁত মেলি তলে ওপৰে ভিজা বস্তা দি গাপ দি ৰাখিব। দুদিনৰ মূৰত বীজবিলাকৰ গঁজালি ওলালে ওপৰত উল্লেখ কৰা প্ৰতিখন বীজতলীত গুটিৰ অৱয়ব আৰু ওজন অনুযায়ী ৬৫০ গ্ৰামৰ পৰা ১ কিঃ গ্ৰামলৈ বীজ সিঁচিব পাৰি।

**বীজতলীত পানী পৰিচালনা ঃ** কঠীয়াতলীৰ উপৰিভাগ পৰিগৰ্ভিত অৱস্থাত ৰাখিবৰ বাবে লোৰবিলাকত পানী দি পৰিপূৰ্ণ কৰি ৰাখিব। কঠীয়া বাঢ়ি অহাৰ লগে লগে উঠোৱাৰ ২-৩ দিনৰ আগলৈকে তলীখনত ২-৩ চেঃ মিঃ গভীৰ পানী ৰখা উচিত।

**কঠীয়াতলীত শস্য ৰক্ষা ঃ** কঠীয়াৰ পাতত দুই এটা ব্লাষ্ট বেমাৰৰ দাগ পৰা দেখা পালেই কাৰবেনদেজিম ১ গ্ৰাম বা এদিফেনফচ ১ মিঃ লিঃ প্ৰতি লিটাৰ পানীৰ হিচাপত মিহলাই স্প্ৰে কৰিব। শস্য কৃমিৰ প্ৰাদুৰ্ভাৱ থকা অঞ্চলত বীজ সিঁচাৰ সময়ত তলত দিয়া ঔষধ উল্লেখিত পৰিমাণে প্ৰতি বৰ্গমিটাৰ হিচাপত তলিত ছটিয়াই দিব।

| ঔষধৰ নাম | পৰিমাণ |
|---|---|
| কাৰবফুৰাণ ৩ জি দানা | ৩ গ্ৰাঃ |

কঠীয়াতলীত অনিষ্টকাৰী কীট-পতঙ্গ ধ্বংশ কৰিবৰ বাবে প্ৰতি লিটাৰ পানী হিচাপত তলত উল্লেখ কৰা ঔষধৰ যিকোনো এবিধ মিহলাই ১০x১.২৫ বঃ মিঃ কালিৰ দুখন কঠীয়াতলীত স্প্ৰে কৰিব।

| ঔষধৰ নাম | পৰিমাণ |
|---|---|
| ক্লৰপাইৰিফচ | ২.৫ মিঃ লিঃ |

অন্যথা কঠীয়া উঠাই শিপাবোৰ ধুই লৈ বোকা আঁতৰাই ১ চাহ চামুচ ক্লৰপাইৰিফচ ঔষধ ৫ লিটাৰ পানীৰ হিচাপত মিহলাই ৩ ঘণ্টাৰ বাবে শিপাবোৰ ঔষধ মিশ্ৰিত পানীত ডুবাই থলেও মজাখোৱা পোক, গলমিজ বা ফৰিংজাতীয় পোকৰ পৰা শস্য ৰক্ষা কৰিব পাৰি। এনে ঔষধ মিশ্ৰিত পানীতে শতকৰা ১ ভাগ ইউৰীয়া মিহলাই ললে অধিক সুফল পাব পাৰি। বা কাৰবফুৰাণ ৩ জি ঔষধৰ ৩ গ্ৰাম কৰি প্ৰতি বৰ্গ মিটাৰ কঠীয়া তলীৰ হিচাপত কঠীয়া উঠোৱাৰ ৫-৭ দিন আগত কঠীয়াতলীত ছটিয়াইও ভাল ফল পাব পাৰি।

### তিল

**মাটি নিৰ্বাচন ঃ** পানী জমা নোহোৱা পলসুৱা মাটি তিল খেতিৰ বাবে উপযোগী।

**সিঁচাৰ সময় ঃ** অসমত আহাৰ - শাওণ মাহত তিল সিঁচাৰ সময়।

**অনুমোদিত জাত ঃ** অসমৰ জলবায়ুৰ বাবে তিলৰ অনুমোদিত জাত কেইটা হ'ল - এছ. পি. ১১৮১ (মাধবী) এছ. টি ১৬৮৩, গৌৰী, বিনায়ক, পাঞ্জাৱ তিল-১।

**বীজৰ পৰিমাণ ঃ** এবিঘা তলীৰ বাবে ৬০০-৭০০ গ্ৰাম বীজৰ প্ৰয়োজন হয়।

**মাটি তৈয়াৰী আৰু সাৰ প্ৰয়োগ ঃ**

মাটিডৰা ভালদৰে চহাই মৈ দি মিহি আৰু সমান কৰি লব। শেষৰবাৰ চহ কৰাৰ সময়ত বিঘাই প্ৰতি ৯ কিঃ গ্ৰাম ইউৰীয়া, ১৯কিঃ গ্ৰাম চুপাৰ ফচফেট আৰু ৫ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাছ প্ৰয়োগ কৰি মাটিৰ লগত মিহলাই ল'ব।

**বীজ সিঁচা ঃ** তলীডৰাত ৩০ চেঃ মিঃ আঁতৰে আঁতৰে একোটা সৰু লোৰ কৰি তাত সমানে বীজ সিঁচি মাটিৰে পাতলকৈ ঢাকি দিব। বীজখিনি সিঁচোতে ২-৩ চেঃ মিঃ অধিক গভীৰতাত পৰিব নালাগে। বীজ গজাৰ পিচত গছৰ পৰা গছলৈ ১৫ চেঃ মিঃ হিচাপত পাতলাই দিব।

### চয়াবীন

বৰ্ষাকালীন চয়াবীন জুন মাহৰ ভিতৰত সিঁচিব লাগে।

উন্নত জাত সমূহ ঃ ব্ৰেগ, জে এচ - ২, অলংকাৰ, অঙ্কুৰ, পি কে - ৩২৭, ২৭১, ২৬২, ৩০৮, মতি ইত্যাদি আৰু গৰু ঘাঁহৰ বাবে কালিটুৰ নামৰ জাত।

**মাটি নিৰ্বাচন ঃ** পানী জমা নোহোৱা বালিচহীয়া কম অম্লযুক্ত মাটি চয়াবীন খেতিৰ বাবে উপযোগী।

**বীজৰ পৰিমাণ ঃ** ব্ৰেগ, অলংকাৰ, অঙ্কুৰ, পি কে - ৩২৭, ২৭১, ২৬২ জাতৰ বাবে বিঘাইপ্ৰতি ৮.৫ কিঃ গ্ৰাঃ আৰু অন্যান্য জাতৰ বাবে ১০-১১ কিঃ গ্ৰাঃ বীজৰ প্ৰয়োজন।

**সিঁচাৰ দূৰত্ব আৰু পদ্ধতি ঃ** শাৰীৰ পৰা শাৰীলৈ ৪৫ চেঃ মিঃ গুটিৰ পৰা গুটিলৈ ৫-১০ চেঃ মিঃ ব্যৱধান উপযোগী। গুটিবোৰ ৪ চেঃ মিঃতকৈ দ'ত পুতিব নালাগে। মাটিত জেক বেচি থাকিলে ২-৩ চেঃ মিঃ তলত গুটি দিব লাগে। শাৰীবোৰৰ ওপৰত ধানৰ নৰাৰে ঢাকি দিলে গঁজালি সোনকালে ওলাই আৰু সবল হয়।

**সাৰ প্ৰয়োগ ঃ** বিঘাই প্ৰতি ইউৰীয়া ৬.০ কিঃ গ্ৰাম, একক চুপাৰ ফচফেট ৫০ কিঃ গ্ৰাম আৰু মিউৰিয়েট অৱ পটাছ ১০.০ কিঃ গ্ৰাম গুটি সিঁচাৰ আগতে লোৰবোৰৰ প্ৰায় ৭ চেঃ মিঃ তলত সাৰখিনি ছটিয়াই মাটিৰ লগত মিহলি কৰি লোৰবোৰ প্ৰায় ৪ চেঃ মিঃ দৰ জোখত কৰি ল'ব লাগে। তাৰ পিচতহে গুটি সিঁচাৰ প্ৰয়োজন।

**বন নিৰণি ঃ** চয়াবীনৰ খেতিৰ বন-বাতবিলাক গুচাই শাৰীৰ মাজৰ মাটিখিনি খুৰপি নাইবা চক্ৰ কোৰেৰে খুচৰি দিব।

**খালি ঠাই পূৰণ ঃ**

শাৰীৰ ভিতৰত খালি থাকি যোৱা ঠাইবিলাক বীজ অঙ্কুৰণৰ এসপ্তাহ মানৰ ভিতৰতে নতুনকৈ গুটি দি পূৰণ কৰি দিব।

**পানী নিৰ্গমন ঃ** তলিডৰাত যাতে অতিৰিক্ত পানী জমা হব নোৱাৰে তাৰ বাবে পথাৰৰ মাজে মাজে সৰু সৰু খাল খান্দি দিব।

**শস্য ৰক্ষা ঃ** চৰাইৰ উপদ্ৰৱৰ পৰা নতুনকৈ গজি অহা পুলিবিলাক ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব।

### বাদাম

বাদামৰ খেতিৰ বাবে পানী জমা নোহোৱা বালিচঁহীয়া মাটি উপযোগী।

**মাটি তৈয়াৰী ঃ** মাটিডৰা ৪/৫ বাৰ হালবাই মৈয়াই মিহি আৰু সমান কৰি

*(৪ পৃষ্ঠাৰ ১ কলমত চাওক)*

(৩ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## পথাৰ শস্য

লব। ইয়াৰ বাবে বেছি দকৈ মাটি চাহ কৰিব নালাগে। ১৫ চেঃ মিঃৰ অধিক তললৈ হাল বোৱা অনুচিত।

**অনুমোদিত জাত ঃ** টি-জি - ১৯ আৰু জে এল - ২৪।

**সিঁচাৰ সময় ঃ** আহাৰ মাহৰ ভিতৰতে বাদাম সিঁচিব লাগে।

**সাৰ প্ৰয়োগ ঃ** মাটি তৈয়াৰ কৰোতেই বিঘাই প্ৰতি ১.৫ টন গোবৰ নাইবা পচন সাৰ চটিয়াই মাটিৰ লগত মিহলাই দিব। শেষৰ বাৰ মাটি চাহ কৰোতে প্ৰতি বিঘা তলীত ৬ কিঃ গ্ৰাঃ ইউৰীয়া, ৩৩ কিঃ গ্ৰাঃ চুপাৰ ফচফেট আৰু ৭ কিঃ গ্ৰাঃ মিউৰিয়েট অৱ পটাছ একেলগে ছটিয়াই মাটিৰ লগত মিহলাই দিব।

**বীজৰ পৰিমাণ আৰু শোধন ঃ**

এবিঘা মাটিত সিঁচিবৰ বাবে ১০ কিঃ গ্ৰাঃ বীজৰ আৱশ্যক। সিঁচাৰ আগতে প্ৰতি কিঃ গ্ৰাঃ বীজৰ লগত ৩ গ্ৰাম থিৰাম নাইবা কেপটান মিহলি কৰি বীজখিনি শোধন কৰি লব।

**বীজ সিঁচাৰ পদ্ধতি ঃ** বীজ সিঁচিবৰ বাবে ৩৫ চেঃ মিঃ দূৰত্বত ৫ চেঃমিঃ দকৈ একোটা লোৰ কৰি তাত ১৫ চেঃ মিঃ দূৰে দূৰে একোটা বীজ সিঁচি মাটিৰে পাতলকৈ ঢাকি দিব।

**গোমধান**

**নাইট্ৰোজেনযুক্ত সাৰ টপড্ৰেছিং ঃ**

প্ৰথমভাগ অৰ্থাৎ ৪.৫ কিঃ গ্ৰাঃ ইউৰীয়া গুটি গজাৰ ৩৫ দিনৰ পিচত আৰু দ্বিতীয়ভাগ গোমধানৰ মতা ফুল ওলাবলৈ আৰম্ভ কৰোতে নাইবা গেৰধৰা সময়ত প্ৰতি বিঘা তলীত ৪.৫ কিঃ গ্ৰাঃ টপড্ৰেছিং কৰিব। সাৰখিনি শাৰীৰ দুয়োকাষে ছটিয়াই মাটিৰ লগত মিহলাই দিয়াৰ লগতে বন-বাতবিলাক গুচাই দি মাটি চপাই দিব।

**পানী নিৰ্গমন ঃ**

খেতিডৰাত যাতে পানী আৱদ্ধ নহয় তাৰ বাবে নলা দি অতিৰিক্ত পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিব।

**শস্য ৰক্ষা ঃ** মজাখোৱা পোকৰ আক্ৰমণ পৰিলক্ষিত হলে ফেনিট্ৰথিয়ন ৫০ ইচি ১৪০ মিঃ লিঃ নাইবা দাইজিনন ২০ ইচি ২০০ মিঃ লিঃ ১০০ লিটাৰ পানীত মিহলাই প্ৰতি বিঘা তলীত স্প্ৰে কৰিব। ইয়াৰ পৰিবৰ্ত্তে এণ্ডোচালফান ৩৫ ইচি ২০০ মিঃ লিঃ ১০০ লিঃ পানীৰ হিচাপত মিলাই স্প্ৰে কৰিও সুফল পাব পাৰি। পাত মৰহি যোৱা (ৱাইজক্টীয়া) বেমাৰে দেখা দিলে ১ চামোচ বেভিষ্টিন প্ৰতি ৫ লিটাৰ পানীত মিহলাই গছবিলাকত স্প্ৰে কৰিব।

**ড° ৰণজিৎ কুমাৰ সাউদ**

## উদ্যান শস্য

অসম ৰাজ্যখন নানান ফল-মূল আৰু শাক-পাচলি শস্যৰ বাবে বিখ্যাত। কিন্তু এই ফল-মূলবিলাকৰ উৎপাদনৰ হাৰ অন্য ৰাজ্যৰ উৎপাদনৰ হাৰতকৈ কম। ইয়াৰ কাৰণ বহুতো যদিও আমাৰ কৃষক ৰাইজে ফল-মূলৰ পুলি ৰোপণ কৰাৰ পাচত প্ৰতি পালন নকৰাটোও অন্যতম। ফলৱতী গছেই হওক বা অফলৱতী গছেই হওক সময় অনুযায়ী কেতিয়া কেনেকৈ আপদাল কৰিলে গছজোপাৰ গঠন আৰু বাঢ়ন ভালে ৰাখি উৎপাদন বঢ়াব পৰা যায় তাৰ সঠিক নিৰূপনৰ অভাৱ পৰিলক্ষিত হোৱা দেখা যায়। গতিকে জেঠ মাহত অসমত হোৱা নানাবিধ ফল-মূল গছত কেনে ধৰণৰ পৰিচৰ্য্যা কৰিব লাগে তাকে ইয়াত চমুকৈ আলোচনা কৰা হ'ল।

**কল ঃ** বহাগ মাহত যদি কলৰ বাৰী পাতিব পৰা নহল তেন্তে নতুনকৈ কলৰ বাৰী পাতিবৰ বাবে মাটিডোখৰ হালবাই মৈয়াই নিৰ্দ্দিষ্ট দূৰত্বত গাঁত খান্দি তৰোৱাল আকৃতিৰ পাত থকা পুলি ৰোপন কৰক। চাপৰ জাতৰ জাহাজী কলৰ বাবে ১.৮ মিঃ x ১.৮ মিঃ আঁতৰত চেনীচম্পা, মালভোগ, বৰজাহাজী আদি জাতৰ বাবে ২.১ মিঃ x ২.১ মিঃ আঁতৰত আৰু মনোহৰ কলৰ বাবে ২.৪ মিঃ x ২.৪ মিঃ আঁতৰত গাঁত খান্দিব লাগে। আগতে পাতি থোৱা কলৰ বাৰীৰ পৰা বন-বাতবোৰ আঁতৰাই দিয়ক। মাতৃগছ বা মূল গছৰ কাষত ওলোৱা পোখা পুলিবোৰ উঠাই দিয়ক। যদি মাতৃ গছত কলডিল ওলাইছে তেন্তে কাষত এটা মাত্ৰ পোখা পুলি ৰাখক। কলৰ পাত মুজুৰা পৰা বা বাঞ্চি টপ বেমাৰৰ পৰা গছ ৰক্ষা কৰিবৰ বাবে গছত এবাৰ দশমিক ১ শতাংশ শক্তিৰ ৰগৰ বা ডাইমেক্ৰন দৰবৰ মিশ্ৰণ ছটিয়াওক। শুকান পাত বা পচা পতুৱাবোৰ আঁতৰাই দিয়ক। যদি কলৰ বাৰীখন তিনি বছৰ হৈছে অৰ্থাৎ এজোপা কল ৰুই যদি তিনিবাৰ কল চপাইছে তেন্তে বাৰীখন ভাঙি নতুনকৈ হালকোৰ মাৰি নতুন কলৰ পুলি ৰোৱক।

**নাৰিকল ঃ** পুৰণা নাৰিকল বাৰীৰ পৰা অপতৃণবোৰ আঁতৰাওক। যদিহে গছৰ মুকুত অংশ চাফা কৰিবলৈ বাকী থাকিল তেন্তে মুকুট অংশ পৰিষ্কাৰ কৰক। বহাগ মাহত যদি নাৰিকলৰ পুলি লগাব নোৱাৰিলে তেন্তে ৭.৫ মিঃ x ৭.৫ মিঃ দূৰত্বত গাঁত খান্দি স্বাস্থ্যৱান পুলি ৰোপণ কৰক। গছৰ গুৰিত বৰষুণৰ পানী জমা হ'ব নোৱাৰাকৈ দুজোপা গছৰ মাজত ৩০ চেঃমিঃ বহল আৰু ৩০ চেঃমিঃ দকৈ নলাৰ ব্যৱস্থা কৰক। নতুনকৈ পতা নাৰিকলৰ গছৰ মাজত অন্তবৰ্ত্তী শস্য যেনে - কল, মাটিকঠাল, নেমু, আদা, হালধি বা ভেন্দি, জিকা, তিঁয়হ বা কেৰেলাৰ খেতি কৰক। গছজোপাত পোক বা বেমাৰে আক্ৰমণ কৰিছেনেকি তাক ভালদৰে নিৰীক্ষণ কৰক। যদি গড়পোকে আক্ৰমণ কৰিছে তেন্তে সমান পৰিমাণৰ বালি আৰু বি. এইছ. চি পাউদাৰ মিহলাই পাতৰ গুৰিত ছটিয়াওক। যদি বহাগ মাহত গছত সাৰ দিয়া নহল তেন্তে গছৰ বয়স অনুযায়ী নিৰ্দ্দিষ্ট পৰিমাণৰ প্ৰথম ভাগ সাৰ গছৰ গুৰিত প্ৰয়োগ কৰক।

**সুমথিৰা টেঙা ঃ** সুমথিৰা টেঙাৰ নতুন বাৰী পাতিব লগা হলে এই সময়তে ডাল ধৰা বা ডালত কলি লগোৱা পুলি নিৰ্দ্দিষ্ট দূৰত্বত গাঁত খান্দি ৰোপন কৰক। পুৰণা বাৰীৰ পৰা অপতৃণ বা অলাগতিয়াল ঘাঁহ-বনবোৰ আঁতৰাই দিয়ক। গছৰ ডালত ঘূণে খোৱা পোক বা পাতৰ ৰস চুহি খোৱা পোক আদিয়ে যদি আক্ৰমণ কৰিছে তেন্তে নেমুৰ গছত দিয়াৰ দৰে দৰবৰ মিশ্ৰণ তৈয়াৰ কৰি গছত ছটিয়াওক। সুমথিৰা গছৰ গুৰিত পানী জমা হবলৈ নিদিয়াকৈ সৰু নলাৰ ব্যৱস্থা কৰক।

**ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস**
**(অৱসৰী অধ্যাপক, অঃকৃঃবিঃ)**

# জৈৱিক কৃষি পদ্ধতিত কেঁচুসাৰৰ ভূমিকা

ভাৰতবৰ্ষৰ জনসংখ্যা সময়ৰ অগ্ৰগতিৰ লগে লগে বৃদ্ধি হৈ গৈ আছে। আনহাতে এই বৰ্দ্ধিত জনসংখ্যাৰ তুলনাত কৃষিভূমি দিনে দিনে হ্ৰাস হোৱাহে দেখা গৈছে। সেইকাৰণে এই সীমিত মাটিত অধিক উৎপাদন কৰিবৰ বাবে ভাৰতবৰ্ষৰ লগতে অসমৰ খেতিয়কসকলে আজি কিছু বছৰৰ আগৰে পৰা ৰাসায়নিক সাৰ, কীটনাশক দৰৱ আৰু উন্নতমানৰ কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ কৰি আহিছে। এই ৰাসায়নিকবোৰে কৃষিৰ কেতবোৰ কুফল যেনে - মাটিৰ স্বাভাৱিক উৰ্বৰতা হ্ৰাস পোৱা, খাদ্যত পাৰ্শ্বক্ৰিয়া পৰিস্ফুত হোৱা, শস্যৰ প্ৰতিৰোধ ক্ষমতা কমি যোৱা ইত্যাদিবোৰ সময় বাগৰাৰ লগে লগে পৰিলক্ষিত হৈছে। অষ্ট্ৰেলীয়া, চীন, আমেৰিকা আদি বিশ্বৰ উন্নতশীল দেশসমূহে জৈৱিক পদ্ধতিৰে শস্য উৎপাদন কৰাত অধিক গুৰুত্ব দিয়া বাবে ওপৰত উল্লেখ কৰা সমস্যাবোৰৰ উদ্ভাৱন নহয়। অৱশ্যে বৰ্ত্তমান ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যই জৈৱিক পদ্ধতিৰ ক্ষেত্ৰত আগভাগ লোৱা পৰিলক্ষিত হৈছে।

জৈৱিক পদ্ধতিৰে খেতি কৰিবলৈ হ'লে শস্যডৰাত উপযুক্ত পৰিমাণে উদ্ভিদৰ অত্যাৱশ্যকীয় খাদ্য মৌল যোগান ধৰিব লাগিব। এই খাদ্য মৌলবোৰ জৈৱিক সাৰ যেনে - সেউজ সাৰ, পচন সাৰ, কেঁচুসাৰ ইত্যাদিবোৰ প্ৰয়োগ কৰি যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগিব। এই জৈৱিক সাৰবোৰে অত্যাৱশ্যকীয় খাদ্য মৌল যোগান ধৰাৰ উপৰিও মাটিৰ ভৌতিক গুণ উন্নত কৰাৰ লগতে অণুজীৱৰ বৃদ্ধিত সহায়ক হয়। বিভিন্ন জৈৱিক সাৰৰ ভিতৰত কেঁচু সাৰৰ বিষয়ে সংক্ষেপে তলত বৰ্ণনা কৰা হ'ল।

সাধাৰণতে কেঁচু সাৰ প্ৰস্তুত কৰিবলৈ হ'লে ৩ ফুট প্ৰস্থ আৰু ২-২.৫ ফুট উচ্চতাৰ পকী টেংক ব্যৱহাৰ কৰা হয়। টেংকৰ দৈৰ্ঘ্য নিজৰ সুবিধা আৰু আৱশ্যকতা অনুযায়ী কৰি ল'ব পাৰি। জৈৱিক আৱৰ্জনা যেনে - শস্যৰ অৱশিষ্ট অংশ, তামোল - নাৰিকলৰ পাত, কলগছৰ গা-গছ, শাক-পাচলিৰ পেলনীয়া অংশ ইত্যাদি কেঁচু সাৰ প্ৰস্তুত কৰাত ব্যৱহাৰ কৰিব পাৰি। প্ৰথমতে টেংকৰ মজিয়াত ১-২ ইঞ্চি মাটি বা বালি ভৰাব লাগে। ইয়াৰ ওপৰত ৪০ ভাগ জীৱ-জন্তুৰ গোবৰ আৰু ৬০ ভাগ ওপৰত উল্লেখিত আৱৰ্জনা তৰপে তৰপে ৩০ ছেঃমিঃ ব্যৱধানত ভৰাব লাগে। টেংকটো সম্পূৰ্ণকৈ ভৰোৱাৰ পিচত আইচেনিয়া ফ'তিদা, ইউড্ৰিলাছ ইউজিনি, এমাইন'থেচ ডিফ্ৰিনজেনচ ইত্যাদি প্ৰজাতিৰ কেঁচুৰ যিকোনো এবিধ প্ৰজাতি টেংকটোত এৰি দিব লাগে। সাধাৰণতে ২ কিঃগ্ৰাঃ কেঁচু প্ৰতি টন কেঁচু সাৰ প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা হয়। টেংকত থকা আৱৰ্জনাৰ মিশ্ৰণটো যাতে সেমেকা অৱস্থাত থাকে তাৰ বাবে মাজে মাজে টেংকত পানী ছতিয়াব লাগে। কেঁচু সাৰৰ টেংকৰ ওপৰত একোখন চালি দিব লাগে যাতে সূৰ্য্যৰ পোনপতীয়া পোহৰ বা বৰষুণৰ পানী টেংকটোত পৰিব নোৱাৰে। এনেদৰে ৪৫-৬০ দিনৰ ভিতৰত কেঁচু সাৰ প্ৰস্তুত কৰিব পাৰি।

আন জৈৱিক সাৰৰ দৰে কেঁচু সাৰত শস্যৰ প্ৰয়োজনীয় মৌলসমূহ থকাৰ উপৰিও শস্যৰ বৃদ্ধিকাৰক বহুতো এনজাইম আৰু অক্সিন, জিবাৰেলিন আদি হৰম'নজাতীয় দ্ৰব্য যথেষ্ট পৰিমাণে থাকে। যাৰ ফলত শস্যৰ শ্ৰীবৃদ্ধি দ্ৰুত হয়।

সাধাৰণতে কেঁচু সাৰত যথাক্ৰমে ১.২-১.৬, ১.৪-২.০ আৰু ১.০-১.৫ শতাংশ নাইট্ৰ'জেন, ফচফৰাছ আৰু পটাছ থাকে।

বৰ্ত্তমান বজাৰত জৈৱিক সাৰৰ চাহিদা যথেষ্ট বৃদিধ পাইছে। সেয়েহে এই সাৰ ব্যৱসায়িক ভিত্তিত উৎপাদন কৰি আৰু শস্যপথাৰত প্ৰয়োগ কৰি আমাৰ কৃষকসকল অৰ্থনৈতিকভাৱে যথেষ্ট লাভৱান হ'ব পাৰে।

**শ্ৰীচয়নিকা ঠাকুৰীয়া**

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## শালিধানৰ উন্নতত কৃষি..

দিনত) আৰু আনভাগ মণিধৰাৰ আৰম্ভণিতে (৪৫-৫০ দিনত) টপড্ৰেছিং কৰিব লাগে। খেতিডৰাৰ পৰা বন-বাত গুচাইহে টপড্ৰেছিং কৰিব। নিৰণিযন্ত্ৰ ধানৰ শাৰীৰ মাজত চলাই সাৰখিনি মাটিত মিহলাই দিব পাৰিলে ভাল হয়। চুপাৰ ফচফেটৰ পৰিবৰ্তে ডি.এ.পি. (ডাই এমোনিয়াম ফচফেট) যদি আমাৰ কৃষকে ব্যৱহাৰ কৰিব বিচাৰে, তেনেহ'লে অৰ্দ্ধচাপৰ জাতৰ ক্ষেত্ৰত বিঘাই প্ৰতি ইউৰীয়া ১৬ কিঃগ্ৰাঃ, ডি.এ.পি. ৬ কিঃগ্ৰাঃ আৰু পটাছ সাৰ ৯ কিঃগ্ৰাঃ দিব লাগিব। সেইদৰে ওখ জাতৰ ক্ষেত্ৰত ইউৰীয়া ৫ কিঃগ্ৰাঃ, ডি.এ.পি. ৩ কিঃগ্ৰাঃ আৰু পটাছ সাৰ ২ কিঃগ্ৰাঃ দিব লাগিব।

**কঠীয়া ৰোৱা পদ্ধতি ঃ** কম আৰু মধ্যমদিনীয়া (১২০ দিন) জাতৰ ক্ষেত্ৰত ২৫ দিনীয়া কঠীয়া ২০ × ১৫ ছেঃমিঃ ব্যৱধানত, ১২০-১৩০ দিনীয়া জাতৰ ক্ষেত্ৰত ৩০-৩৫ দিনীয়া কঠীয়া ২০ × ১৫ ছেঃমিঃ ব্যৱধানত আৰু ১৩০ দিনতকৈ অধিক কৃষিকালৰ জাতৰ ক্ষেত্ৰত ৩০-৪০ দিনীয়া কঠীয়া ২০ × ২০ ছেঃমিঃ (পংকজ), ২৫ × ২০ ছেঃমিঃ (মাছুৰী আৰু ২৫ × ২৫ ছেঃমিঃ ব্যৱধান মনোহৰ শালি আৰু অন্যান্য ওখ জাতৰ ক্ষেত্ৰত ৰাখিব লাগে। সময়মতে ৰোৱা (জুলাই-আগষ্ট) শালিধানৰ ক্ষেত্ৰত গোছে প্ৰতি ২-৩ ডাল কঠীয়া আৰু শেহতীয়াকৈ (চেপ্তেম্বৰ) ৰোৱা খেতিত ৬-৭ ডাল কঠীয়া দিব লাগে। কঠীয়া সদায় ৪-৫ ছেঃমিঃ গভীৰতাত পোনকৈ ৰুব লাগে। হেলনীয়াকৈ ৰুলে সজাল ধৰা আৰু পোন হওঁতে সময় লয়। ৰোৱাৰ ৭-১০ দিনৰ ভিতৰত মৰা কঠীয়াবোৰ উভালি নতুন সমবয়সীয়া কঠীয়া ৰুই দিব লাগে।

**বন-বাত নিয়ন্ত্ৰণ ঃ** কঠীয়া ৰোৱাৰ ২০-২৫ দিন আৰু ৪০-৪৫ দিনৰ পাছত অৰ্থাৎ ইউৰীয়া সাৰ টপড্ৰেছিং কৰাৰ আগে আগে দুবাৰ বন-বাত নিৰাই দিব লাগে। নহ'লে ইউৰীয়া টপড্ৰেছিং কৰি নিৰণিযন্ত্ৰৰ সহায়েৰে বন-বাত নিয়ন্ত্ৰণ কৰিলে সাৰখিনি মাটিত ভালদৰে মিহলি হোৱাৰ লগতে বন-বাতবোৰ মাটিত সোমাই সেইবোৰ পচিও সাৰ হ'ব।

**ড° অঞ্জুমালা ডেকা**

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্ৰতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্ৰকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত।
**মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ